**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-09-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। যশস্বী শিল্পী জুবিন গাৰ্গৰ আজি গুৱাহাটীৰ সমীপৰ কমাৰকুছিৰ ‘জুবিনক্ষেত্ৰ’ত ৰাজ্যিক মৰ্যাদাৰে শেষকৃত্য সম্পন্ন কৰা হয়।

২। কেন্দ্ৰীয় চৰকাৰে চলিত বিত্তীয় বৰ্ষত নতুনকৈ দেশৰ ২৫ লাখ যোগ্য পৰিয়ালক প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনাৰ অধীনত ৰন্ধন গেছৰ সুবিধা আগবঢ়াব।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীত আজি ২০২৩ বৰ্ষৰ ৭১ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাসমূহ প্ৰদান কৰিব।

৪। উৎসৱৰ সময়ছোৱাত উত্তৰ-পূব সীমান্ত ৰে’লৱেই ৪৬ খন বিশেষ ৰে’লগাড়ীৰ ব্যৱস্থা কৰাৰ কথা ঘোষণা কৰিছে।

আৰু

৫। এছিয়া কাপ টি-২০ প্ৰতিযোগিতাৰ ছুপাৰ-ফ’ৰ পৰ্যায়ৰ এখন খেলত আজি পাকিস্তান শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব।

০০০০০০০

লাখ লাখ সংগীতপ্ৰেমীক শোকসাগৰত ডুবাই আকস্মিকভাৱে পৃথিৱীৰ মায়া এৰি যোৱা জনপ্ৰিয় তথা যশস্বী শিল্পী জুবিন গাৰ্গৰ আজি গুৱাহাটীৰ সমীপৰ কমাৰকুছিৰ ‘জুবিনক্ষেত্ৰ’ত ৰাষ্ট্ৰীয় মৰ্যাদাৰে শেষকৃত্য সম্পন্ন কৰা হয়। আজি পুৱা গুৱাহাটীৰ সৰুসজাই অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ পৰা জুবিনৰ নশ্বৰ দেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ নিয়া হয়। মৰণোত্তৰ পৰীক্ষা কৰাৰ পাছত নশ্বৰ দেহ পুনৰ সৰুসজাইলৈ অনা হয় আৰু তাৰ পৰা মহা সমাৰোহেৰে যোৰাবাটৰ সমীপৰ কমাৰকুছিলৈ শোভাযাত্ৰা কৰি নিয়া হয়। সমাধিস্থলীত হাজাৰ হাজাৰ গুণমুগ্ধৰ অশ্ৰু অঞ্জলিৰ মাজেৰে মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা, প্ৰধানমন্ত্ৰীৰ প্ৰতিনিধি তথা কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজু, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, অসম বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াকে ধৰি বিভিন্ন দল-সংগঠনে শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বিশাল প্ৰতিভাধৰ মৰমৰ পুত্ৰক শেষবাৰৰ বাবে হেঁপাহ পলুৱাই চাই ল’লে পিতৃয়ে, গানেৰে জগত জিনা স্বামীক একাঁজলি অশ্ৰুৰে অজান দেশলৈ বিদায় দিলে পত্নী গৰিমা গাৰ্গে। জ্যেষ্ঠ ভাতৃক এথোপা ফুলেৰে ভগ্নী পামী বৰঠাকুৰেও বিদায় জনালে। তাৰ পাছত যথাৰীতি ধৰ্মীয় পৰম্পৰাৰে চিতাত তোলা হয় জুবিন গাৰ্গৰ দেহ। ভগ্নী পামী বৰঠাকুৰে চিতাত মুখাগ্নি কৰে। তেওঁক সহযোগ কৰে ৰাহুল গৌতম শৰ্মা আৰু অৰুণ গাৰ্গে। উপস্থিত অগণন লোকৰ জয়ধ্বনিৰ মাজেৰে অৱশেষত পঞ্চভূতত বিলিন হ’ল গানেৰে জনতাৰ হৃদয়ত ঘৰ বন্ধা শিল্পী জুবিন গাৰ্গ।

ইয়াৰ লগে লগে যেন অসমবাসীৰ হৃদয়ৰ আকাশ উকা কৰি গানৰ জ্যোতিষ্ক নিৰ্বাপিত হ’ল। সুৰৰ আঁচল ধৰি বহু দূৰলৈ গুচি গ’ল বিৰল প্ৰতিভা।

ৰাজ্যৰ সংগীত ক্ষেত্ৰত কাহানিও পূৰাব নোৱৰা শূন্যতাৰ সৃষ্টি কৰি ছিংগাপুৰত বিশেষ পৰিস্থিতিত মৃত্যু হোৱা প্ৰিয় শিল্পীক অনুৰাগীসকলে কালিও অভূতপূৰ্ব ৰূপত শ্ৰদ্ধা নিবেদন কৰে। হিয়াৰ আমঠু শিল্পীগৰাকীক শেষ দৰ্শনৰ বাবে সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত কালিও গোটেই নিশা অজস্ৰ গুণমুগ্ধই ভিৰ কৰে। আজি পুৱাও ষ্টেডিয়ামত শিল্পীগৰাকীক শেষবাৰৰ বাবে চাবলৈ ভিৰ কৰে অনুৰাগীসকলে।

কালি জুবিন গাৰ্গক দেশ-বিদেশৰ বিভিন্ন সন্মানীয় ব্যক্তিয়ে আহি সৰুসজাই ষ্টেডিয়ামত শ্ৰদ্ধা জ্ঞাপন কৰে। সৰুসজাইলৈ গৈ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কালি শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। ভূটানৰ ৰজা জিগমে খেচাৰ নামগিয়াল ৱাংচুকৰ বিশেষ প্ৰতিনিধিয়েও কালি শিল্পীগৰাকীক শ্ৰদ্ধা জ্ঞাপন কৰে।

বাংলাদেশৰ জনসাধাৰণৰ হৈ দেশখনৰ উচ্চায়ুক্তই কালি শিল্পীগৰাকীক শ্ৰদ্ধা জনায়।

শেষকৃত্যত হ'বলগীয়া ভিৰৰ প্ৰতি লক্ষ্য ৰাখি আজি ৰাষ্ট্ৰীয় ঘাইপথ বন্ধ ৰখা হয়। আকাশবাণী গুৱাহাটী কেন্দ্ৰই জুবিন গাৰ্গৰ অন্তিম যাত্ৰা তথা শেষকৃত্যৰ চলন্ত বিৱৰণী প্ৰচাৰ কৰে।

জুবিন গাৰ্গৰ পৰিয়ালৰ সিদ্ধান্তমৰ্মে শিল্পীগৰাকীৰ ১৩ দিনীয়া শ্ৰাদ্ধানুষ্ঠান যোৰহাটত পালন কৰা হ'ব আৰু সেইদিনাই তেওঁৰ চিতাভস্ম যোৰহাটৰ ৰাইজক আনুষ্ঠানিকভাৱে অৰ্পণ কৰা হ'ব। মুখ্যমন্ত্ৰীৰ ঘোষণা অনুসৰি শিল্পীগৰাকীৰ সন্মানাৰ্থে আজি অসমৰ সকলো শিক্ষানুষ্ঠান বন্ধ থাকে। কামৰূপ মহানগৰ জিলাৰ চৰকাৰী কাৰ্যালয়সমূহো বন্ধ থাকে যদিও বাকী সকলো ঠাইতে কাৰ্যালয় খোলা ৰখা হয়। আজি শিল্পীগৰাকীৰ সন্মানাৰ্থে গুৱাহাটী উচ্চ ন্যায়ালয়ো বন্ধ ৰখা হয়।

ooooooo

কেন্দ্ৰীয় চৰকাৰে চলিত বিত্তীয় বৰ্ষত নতুনকৈ দেশৰ ২৫ লাখ যোগ্য পৰিয়ালক প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনাৰ অধীনত ৰন্ধন গেছৰ সুবিধা আগবঢ়াব। নৱৰাত্ৰিৰ প্ৰথম দিনা দেশৰ মহিলাসকললৈ শুভেচ্ছা জ্ঞাপন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে চৰকাৰৰ এই সিদ্ধান্তই পবিত্ৰ নৱৰাত্ৰিৰ সময়ত তেওঁলোকলৈ আনন্দৰ বাৰ্তা কঢ়িয়াই অনাই নহয়, বৰং মহিলা সবলীকৰণৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদ্বীপ সিং পুৰীয়ে কয়, যে চৰকাৰে ৰন্ধন গেছৰ ২৫ লাখ নতুন সংযোগৰ প্ৰতিটোৰ বাবে দুহেজাৰৰো অধিক টকা ব্যয় কৰিব। তেওঁ কয়, যে এই নতুন সংযোগৰ দ্বাৰা উজ্জ্বলা পৰিয়ালৰ সংখ্যা ১০ কোটি ৫৮ লাখলৈ বৃদ্ধি হ'ব। দেশৰ প্ৰতিগৰাকী মহিলাৰ বাবে ৰন্ধন গেছ সহজে উপলভ্য কৰোৱাটো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিশ্চিত কৰিছে বুলি মন্ত্ৰী পুৰীয়ে উল্লেখ কৰে।

ooooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ৰাবাট'ত মৰক্কোৰ বাণিজ্য মন্ত্ৰী ৰিয়াদ মেজ্জ'ৰক সাক্ষাৎ কৰে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি এই সাক্ষাতৰ সময়ত শ্ৰী মেজ্জ'ৰে দুয়োখন দেশৰে দীৰ্ঘদিনীয়া বন্ধুত্বপূৰ্ণ সম্পৰ্কৰ আঁত ধৰি ভাৰত আৰু মৰক্কোৰ মাজত ঔদ্যোগিক সহযোগিতা বৃদ্ধিৰ গুৰুত্ব সম্পৰ্কে আলোকপাত কৰে। প্ৰতিৰক্ষা, ঔষধ, ৰসায়নকে ধৰি আন আন মূল খণ্ডসমূহত সহযোগিতা গভীৰ কৰি তোলাৰ সন্দৰ্ভতো আলোচনা কৰা হয় বুলি মন্ত্ৰালয়ে লগতে প্ৰকাশ কৰে।

ooooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীত আজি ২০২৩ বৰ্ষৰ ৭১ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাসমূহ প্ৰদান কৰিব। এই উপলক্ষে আয়োজিত অনুষ্ঠানত প্ৰখ্যাত অভিনেতা, পৰিচালক তথা প্ৰযোজক মোহন লালক চলচ্চিত্ৰ জগতৰ সৰ্বোচ্চ সন্মান দাদা চাহেব ফাল্কে বঁটা আগবঢ়োৱা হ'ব। আমাৰ সংবাদদাতাই জনোৱা মতে চলচ্চিত্ৰ নিৰ্মাণ, অভিনয়, কাহিনী কথনকে ধৰি বিভিন্ন শিতানত ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাসমূহ প্ৰদান কৰা হ'ব। হিন্দী চলচ্চিত্ৰ টুৱেল্‌ভথ ফে'ললৈ শ্ৰেষ্ঠ চলচ্চিত্ৰ বঁটা আগবঢ়োৱা হৈছে। শ্ৰেষ্ঠ হিন্দী বোলছবিৰ বঁটা কঠাললৈ আগবঢ়োৱা হ'ব। জৱান বোলছবিত কৰা অভিনয়ৰ বাবে শ্বাহৰুখ খানক আৰু টুৱেল্‌ভথ ফে'লত কৰা অভিনয়ৰ বাবে বিক্ৰান্ত মেচিক যুটীয়াভাৱে শ্ৰেষ্ঠ অভিনেতাৰ পুৰস্কাৰ লাভ প্ৰদান কৰা হ'ব। মিছেছ চেট্টাৰ্জী বনাম নৰৱে শীৰ্ষক ছবিৰ বাবে ৰাণী মুখাৰ্জীক শ্ৰেষ্ঠ অভিনেত্ৰীৰ পুৰস্কাৰ আগবঢ়োৱা হ'ব। শিল্পা ৰাও আৰু পি ভি এন এছ ৰোহিতক সৰ্বশ্ৰেষ্ঠ নেপথ্য গায়ক-গায়িকাৰ পুৰস্কাৰ প্ৰদান কৰা হ'ব।

ooooooooo

উৎসৱৰ সময়ছোৱাত উত্তৰ-পূব সীমান্ত ৰে'লৱেই ৪৬ খন বিশেষ ৰে'লগাড়ীৰ ব্যৱস্থা কৰাৰ কথা ঘোষণা কৰিছে। দুৰ্গা পূজা, দীপাৱলী আৰু ষট পূজাৰ সময়ছোৱাত যাতে যাত্ৰীসকল অসুবিধাৰ সন্মুখীন হ'বলগীয়া নহয়, তাৰপ্ৰতি লক্ষ্য ৰাখিয়ে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই উৎসৱ বিশেষ ৰে'লগাড়ীসমূহ কাটিহাৰ, সোণপুৰ, দৌৰাম মাধেপুৰা, মণিহাৰী, আগৰতলা, ধৰ্মনগৰ, নিউ তিনিচুকীয়া, এছ এম ভি টি বেংগালুৰু, অমৃতসৰ, নিউ জলপাইগুৰি, গুমটিনগৰ, কিযাণগঞ্জ, নাহৰকটীয়া গঞ্জ, পাটনা, ডিব্ৰুগড়, গোৰখপুৰ, শিলচৰ, নাহৰলগুণ, কলকাতা আৰু গুৱাহাটীৰ দৰে গুৰুত্বপূৰ্ণ স্থানসমূহৰ মাজত চলাচল কৰিব।

ooooooo

এছিয়া কাপ টি-২০ প্ৰতিযোগিতাৰ ছুপাৰ-ফ’ৰ পৰ্যায়ৰ এখন খেলত আজি পাকিস্তান শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। আবু ধাবিৰ শ্বেখ জায়েদ ষ্টেডিয়ামত হ’বলগীয়া এই খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ’ব। ভাৰত আৰু বাংলাদেশে ইতিমধ্যে ২ পইণ্টতকৈ লাভ কৰিছে যদিও পাকিস্তান আৰু শ্ৰীলংকাই এতিয়াও ছুপাৰ-ফ’ৰত কোনো পইণ্ট লাভ কৰা নাই। ভাৰতৰ বিৰুদ্ধে পৰাস্ত হোৱাৰ পাছত পাকিস্তানৰ দলটোৱে আজিৰ খেলখনত জয়ৰ বাবে আপ্ৰাণ চেষ্টা চলাব। লীগ পৰ্যায়ৰ তিনিখন খেলত জয়লাভেৰে গ্ৰুপ-বিত শীৰ্ষত থকা শ্ৰীলংকাই ছুপাৰ-ফ’ৰৰ প্ৰথমখন খেলত বাংলাদেশৰ বিৰুদ্ধে ৪ উইকেটত পৰাস্ত হৈছিল।

০০০০০০০

জি এছ টিৰ হাৰ হ্ৰাস হ’লে ঘৰুৱা সঞ্চয় অধিক হ’ব আৰু ব্যৱসায় কৰাত সুবিধা বৃদ্ধি পাব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে প্ৰকাশ কৰে। কালি নৱৰাত্ৰিৰ প্ৰথম দিনটোত দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰি মোদীয়ে কয় যে জি এছ টিৰ হাৰ কম হোৱাৰ অৰ্থ হ’ল প্ৰতিখন ঘৰত অধিক সঞ্চয় আৰু ব্যৱসায় বৃদ্ধি হোৱা। কালিৰ পৰা কাৰ্য্যকৰী হোৱা জি এছ টি সংস্কাৰ সন্দৰ্ভত প্ৰধানমন্ত্ৰীয়ে কয় যে এই প্ৰক্ৰিয়াই ‘জি এছ টি সঞ্চয় উৎসৱ’ৰ বাট মুকলি কৰিছে। তেওঁ লগতে কয় যে এই সংস্কাৰসমূহে সঞ্চয় বৃদ্ধি কৰাৰ লগতে কৃষক, মহিলা, যুৱক-যুৱতী, দৰিদ্ৰ, মধ্যবিত্ত শ্ৰেণী, ব্যৱসায়ী আৰু অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগকে ধৰি সমাজৰ প্ৰতিটো শ্ৰেণীৰ লোককে প্ৰত্যক্ষভাৱে উপকৃত কৰিব। প্ৰধানমন্ত্ৰীয়ে কয় যে জি এছ টি সংস্কাৰে অধিক বৃদ্ধি আৰু বিনিয়োগক উৎসাহিত কৰিব আৰু প্ৰতিখন ৰাজ্য আৰু অঞ্চলৰ অগ্ৰগতি ত্বৰান্বিত কৰিব। তেওঁ লগতে কয় যে কৰ হ্ৰাস, মূল্য হ্ৰাস আৰু সৰল নিয়মৰ অৰ্থ হ’ব বিক্ৰী বৃদ্ধি,ঋণৰ বোজা হ্ৰাস আৰু বিশেষকৈ অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া খণ্ডত সুযোগ বৃদ্ধি। প্ৰধানমন্ত্ৰীয়ে কয় যে এই সংস্কাৰে দেশৰ স্থানীয় উৎপাদনৰ ভেটি শক্তিশালী কৰি আত্মনিৰ্ভৰ ভাৰতৰ বাট প্ৰশস্ত কৰিব।

00000000

সমাপ্ত